বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## ব্ৰিটেইনৰ জলছা ছালানা ২০২৬-ৰ সন্দৰ্ভত আল্লাহৰ অনুগ্ৰহৰাজি আৰু অ-আহমদী অতিথিসকলৰ অনুভৱৰ উল্লেখ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ৩১ জুলাই ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

আল্লাহ তা'লাৰ অনুগ্ৰহত যোৱা দেওবাৰে জামাতে আহমদীয়া যুক্তৰাজ্য (UK)-ৰ তিনিদিনীয়া জলছা ছালানা (বাৰ্ষিক সন্মিলন) আল্লাহ তা'লাৰ আশীৰ্বাদসমূহ বুটলি লৈ সামৰণি পৰিল। জলছাৰ প্ৰস্তুতিত কেইবা মাহ লাগে। এটা জলছা শেষ হোৱাৰ লগে লগেই পৰৱৰ্তী জলছাৰ প্ৰস্তুতি আৰম্ভ হৈ যায়। জলছাৰ কেইসপ্তাহমান আগৰ পৰা ইয়াৰ গতি বৃদ্ধি পায় আৰু শেষৰ এক-দুই সপ্তাহৰ ভিতৰত ই চৰম পৰ্যায় পায়গৈ। জলছাৰ দিনকেইটাত হাজাৰ হাজাৰ পুৰুষ-মহিলা, বৃদ্ধ আৰু যুৱ স্বেচ্ছাসেৱকে নিজৰ সকলো শক্তি আৰু আন্তৰিকতাৰে প্ৰতিটো মুহূৰ্ততে সেৱা আগবঢ়াই থাকে।

গতিকে এই দিশৰ পৰা জলছাৰ যিকোনো বিভাগতে কাম কৰা সকলো কৰ্মী ধন্যবাদৰ যোগ্য । আল্লাহ তা'লাই তেওঁলোকক এই সেৱাৰ উৎকৃষ্ট প্ৰতিদান দিয়ক। ঠিক সেইদৰে এম.টি.এ. (MTA)-ৰ কৰ্মীসকল, যিসকলৰ অধিকাংশ কৰ্মীয়েই স্বেচ্ছাসেৱক। তাৰ পিছত প্ৰেছ আৰু মিডিয়াৰ দল। খুদ্দামুল আহমদীয়া কানাডাৰ যুৱকসকল প্ৰতি বছৰৰ দৰে এইবাৰো বৃহৎ সংখ্যাত ইয়ালৈ আহিছিল আৰু ৱাইণ্ড-আপ (সামৰণিৰ কাম-কাজ)-ত সেৱা আগবঢ়াইছিল। এতিয়া অষ্ট্ৰেলিয়াৰ লোকসকলেও আহিবলৈ আৰম্ভ কৰিছে, এই সকলোৱে অতি সুন্দৰভাৱে কাম কৰি আছে।

মই নিজে পুৰুষ আৰু মহিলা কৰ্মীসকলক ধন্যবাদ জ্ঞাপন কৰোঁ, কিন্তু ইয়াৰ লগতে তেওঁলোকে মনত ৰখা উচিত যে তেওঁলোক নিজেও আল্লাহ তা'লাৰ ওচৰত কৃতজ্ঞ হোৱা উচিত যে আল্লাহে এই সকলো কৰ্মীক প্ৰতিশ্ৰুত মছীহ মাওউদ (আঃ)-ৰ অতিথিৰ সেৱা কৰাৰ তাওফীক (সামৰ্থ্য) দিছে। ৰাইজৰ কৃতজ্ঞতা প্ৰকাশৰ

বাবে আপোনালোকে আল্লাহৰ ওচৰত আৰু অধিক অৱনত হোৱা উচিত, আৰু অধিক নম্ৰ হোৱা উচিত। আল্লাহ তা'লাই আপোনালোকক ইয়াৰ তাওফীক দান কৰক।

হুজুৰ (আইঃ) য়ে কয় যে কাম কৰা সকলৰ সংকল্প আৰু উদ্যমেৰে ইছলাম আৰু আহমদীয়তৰ প্ৰচাৰ-প্ৰসাৰো হয়। বহু লোকে নিজৰ অনুভূতি আৰু প্ৰত্যক্ষ অভিজ্ঞতা মন্তব্যৰ ৰূপত লিখি পঠিয়াইছে। তাৰে কেইটামান মই এতিয়া আগবঢ়াম।

গাম্বিয়াৰ যোগাযোগ মন্ত্ৰীয়ে লিখিছে যে জলছা ছালানা (বাৰ্ষিক সন্মিলন)ৰ এক গভীৰ সত্য দেখি মই আচৰিত হৈ পৰিলোঁ। এয়া এক মহান বিশ্বজনীন সমাৱেশ যি নিস্বাৰ্থ সেৱা আৰু মৌন, অটল ত্যাগৰ ভেটিত প্ৰতিষ্ঠিত। নাইজেৰিয়াৰ এজন ৰজা, যাৰ অধীনত প্ৰায় আধা ৰাজ্য আছে, তেওঁ কয়, যেতিয়া মই ইউ কে-ৰ (UK) জলছা ছালানালৈ ৰাওনা হৈছিলোঁ, তেতিয়া মোৰ কোনো ধাৰণা নাছিল যে মই এনে এক মহান, সুশৃঙ্খলিত আৰু আধ্যাত্মিক সমাৱেশৰ অংশ হ'বলৈ গৈ আছো, যিয়ে মোৰ জীৱনত ইমান গভীৰ প্ৰভাৱ পেলাব। ইয়ালৈ আহি মই কেৱল অসাধাৰণ অনুশাসন, ভ্ৰাতৃত্ববোধ আৰু জনসেৱাৰ ব্যৱহাৰিক নিদৰ্শন দেখাই নহয়, বৰঞ্চ বিশ্বৰ বিভিন্ন দেশ আৰু জাতিৰ লোকসকলক প্ৰীতি, শ্ৰদ্ধা আৰু ভাতৃত্বৰ ছাঁত বান্ধ খাই পৰা দেখিবলৈ পালোঁ।

তেওঁৰ পত্নীয়ে কয় যে মহিলাসকলৰ বাবে কৰা আদৰ্শগত ব্যৱস্থা, তেওঁলোকৰ মৰ্যাদা, স্বাধীনতা আৰু পৰিৱেশ দেখি মই আটাইতকৈ বেছি আচৰিত হৈছো। হাজাৰ হাজাৰ মহিলাক অত্যন্ত গৰিমাৰে সুশৃঙ্খলিতভাৱে জলছালৈ অহা-যোৱা কৰা দেখি ইছলাম সম্পৰ্কে মোৰ বহু ধাৰণা সলনি হৈ গ'ল।

ছেনেগালৰ পৰা চেন্ট লুইছৰ প্ৰাক্তন গৱৰ্ণৰ অতিথি হিচাপে উপস্থিত হৈছিল। তেওঁ কয়: মই সকলো বক্তব্য মনোযোগেৰে শুনিলোঁ, অনুবাদৰ ব্যৱস্থা অতি সুন্দৰ আছিল যাৰ বাবে আমি সকলো ভাষণ আৰু বাৰ্তা ভালদৰে বুজিব পাৰিলোঁ। জলছাৰ সময়ত যিটো বাৰ্তা আটাইতকৈ প্ৰধান হৈ পৰিছিল, সেয়া আছিল প্ৰেম, শান্তি আৰু ভ্ৰাতৃত্বৰ বাৰ্তা।

লাক্সেমবাৰ্গৰ পৰা এজন বেৰিষ্টাৰ ছাহেব আহিছিল। তেওঁ কয়, জলছাৰ তিনিটা দিন মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তিনিটা দিন হৈ পৰিল। মই মোৰ জীৱনত প্ৰথমবাৰৰ বাবে ইমান ডাঙৰ, সুশৃঙ্খলিত ইছলামিক সমাৱেশ দেখিলোঁ। বিশ্বব্যাপী বয়াত (শপথ গ্ৰহণ) ৰ সেই আধ্যাত্মিক দৃশ্য মোৰ বাবে পাহৰিব নোৱাৰা আছিল। জামাতৰ ইমামৰ সৈতে মোৰ সাক্ষাৎ হৈছিল। যদিও সাক্ষাৎ কৰাৰ আগতে মোৰ ভয় লাগিছিল, কিন্তু তেওঁক লগ পোৱাৰ লগে লগে ভয় আঁতৰি গ'ল।

এজন নৱ-দীক্ষিতজনে কয় যে ইছলাম গ্ৰহণ কৰাৰ আগতে মই খ্ৰীষ্টান ধৰ্মাৱলম্বী আছিলোঁ। আমাক শিকোৱা হৈছিল যে বিশ্বাসৰ সম্পৰ্ক সংগীতৰ সৈতে, কিন্তু মই কেতিয়াও সেইদৰে আধ্যাত্মিক শান্তি আৰু ঈশ্বৰৰ নৈকট্য অনুভৱ কৰিব পৰা নাছিলোঁ। মুছলমান হোৱাৰ পিছতো মই যদিও নামাজ আদি পঢ়িছিলোঁ, কিন্তু হৃদয়ত সেই ব্যাকুলতা অনুভৱ কৰিব পৰা নাছিলোঁ। কিন্তু জলছাত অংশগ্ৰহণ কৰি মোৰ ওপৰত এনে এক আধ্যাত্মিক অৱস্থা বিৰাজ কৰিলে যে মোৰ দুচকুৰে চকুলো বৈ আহিল, মই অবিৰতভাৱে প্ৰাৰ্থনা কৰি থাকিলোঁ। মোৰ আল্লাহ তা'লা আৰু খিলাফতৰ সৈতে এক আধ্যাত্মিক সম্পৰ্ক গঢ়ি উঠিল।

চেক ৰিপাব্লিকৰ পৰা দুজন প্ৰফেছৰ ছাহেব আহিছিল, তেওঁলোকে কয় যে চেক ৰিপাব্লিকলৈ উভতি গৈ আমি আমাৰ সতীৰ্থ আৰু ছাত্ৰসকলক ক'ম যে আপোনালোকে নিজে গৈ এই মহান সভাখন প্ৰত্যক্ষ কৰক। যুগৰ খলিফাৰ ভাষণৰ পাছত আমি ইছলাম আৰু তাকওৱা (ধৰ্মপৰায়ণতা)ৰ বাস্তৱতা জানিব পাৰিলো।

কাজাখাস্তানৰ পৰা এগৰাকী মহিলা জলছাত উপস্থিত হৈছিল। তেওঁ কয় যে ইমাম-ই-জামাত আৰু অন্যান্য বক্তাসকলৰ ভাষণত ঈমান (বিশ্বাস), উচ্চ নৈতিকতা, পাৰস্পৰিক সম্প্ৰীতি, যুৱ প্ৰজন্মৰ সমস্যা আৰু সমাজৰ সংস্কাৰ তথা প্ৰশিক্ষণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোকপাত কৰা হৈছিল।

আমেৰিকাৰ এজন আইনৰ প্ৰফেচৰে কৈছে যে মই বিশ্বজুৰি বহু সন্মিলন আৰু কনফাৰেন্সত অংশগ্ৰহণ কৰাৰ সুযোগ পাইছো, কিন্তু জলছা ছালানা ইউ.কে.ৰ অভিজ্ঞতা এই সকলোতকৈ সুকীয়া আছিল। এশৰো অধিক দেশৰ পৰা অহা বিভিন্ন ধৰ্ম, জাতীয়তা আৰু জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ লোকসকলক লগ পালোঁ। বিভিন্ন প্ৰদৰ্শনীসমূহে মোক অতিশয় প্ৰভাৱিত কৰিলে। উচ্চ শিক্ষিত চিকিৎসক, অভিযন্তা, উকীল আৰু অন্যান্য জ্ঞান-বিজ্ঞানৰ বিশেষজ্ঞসকলে অত্যন্ত নম্ৰতাৰে সেৱা আগবঢ়াই আছিল, এই কথাটোৱে মোক গভীৰভাৱে প্ৰভাৱিত কৰিলে।

ব্ৰাজিলৰ এজন টেলিভিছন ৰিপৰ্টাৰে কৈছে যে মই এই অনুষ্ঠানৰ বিশাল পৰিসৰ আৰু ব্যৱস্থা দেখি আচৰিত হৈ পৰিলোঁ। বিশেষকৈ লংগৰখানা (ৰাজহুৱা ৰন্ধনশাল)ৰ আকাৰ আৰু খাদ্য প্ৰস্তুত কৰা স্থানসমূহ অত্যন্ত ডাঙৰ, আধুনিক, শৃংখলাবদ্ধ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল।

ফিলিপাইনছৰ পৰা এজন অধ্যাপক তেওঁৰ পত্নীৰ সৈতে আহিছিল, যি নিজেই এগৰাকী অধ্যাপিকা তেওঁ কয়, স্বেচ্ছাসেৱকসকলৰ পৰিশ্ৰম দেখি আচৰিত হ'লোঁ যে কেনেকৈ তেওঁলোকে নিজৰ কঠোৰ পৰিশ্ৰমেৰে এই অস্থায়ী চহৰখন গঢ়ি তুলিছে।

এল চালভাডৰৰ পৰা অহা এজন অতিথি, যি চেণ্ট্ৰেল আমেৰিকান পাৰ্লিয়ামেণ্টত এল চালভাডৰৰ প্ৰতিনিধি, তেওঁ কৈছে, যুগৰ খলিফাৰ সৈতে সাক্ষাৎ কৰাৰ পাছত মই জানিব পাৰিলো যে খলিফাৰ নিজৰ জামাতৰ বিষয়ে অশেষ জ্ঞান আৰু খবৰ থাকে।

বেলাইজৰ পৰা অহা এগৰাকী নতুনকৈ ধৰ্ম গ্ৰহণ কৰা মহিলাই কয় যে আমাৰ দেশখন অতি সৰু। মই যিখন চহৰত থাকোঁ তাৰ জনসংখ্যা ৫০ হাজাৰ। এশজন মানুহ ক'ৰবাত গোট খালেই কন্দল-কাজিয়া আৰম্ভ হয়, কিন্তু এই জলছাৰ ব্যৱস্থাপনাত এক অসাধাৰণ শান্তি আছিল।

বুলগেৰিয়াৰ এজন প্ৰভাৱশালী ব্যক্তিয়ে কৈছে যে জলছাত দিয়া ভাষণসমূহ অতি তথ্যপূৰ্ণ, জ্ঞানবৰ্ধক আৰু উচ্চ মানদণ্ডৰ আছিল। বক্তাসকলে ধাৰ্মিক আৰু বৈজ্ঞানিক বিষয়সমূহ অতি সুন্দৰভাৱে দাঙি ধৰিছিল, যিয়ে শ্ৰোতাসকলৰ জ্ঞান আৰু উপলব্ধি বৃদ্ধি কৰিলে।

ছেনেগালৰ পৰা অহা এজন ব্যক্তি, যি তেওঁৰ অঞ্চলৰ এজন ধৰ্মীয় নেতা, তেওঁ কয় যে ইমাম-ই-জামাতৰ সৈতে মোৰ সাক্ষাৎ হ'ল, যাৰ পৰা মই জামাতটোক বুজি পাবলৈ এক ডাঙৰ সুযোগ পালোঁ। প্ৰকৃততে মই আপোনালোকক অন্তৰৰ গভীৰতাৰ পৰা শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

ছেনেগালৰ পৰা এজন সংসদ সদস্যই অংশগ্ৰহণ কৰি কয় যে কেৱল নামৰ ইছলামতকৈ ইয়াত মই প্ৰকৃত সেৱাৰ ইছলাম দেখিবলৈ পালোঁ। এনে কিছুমান হাত দেখিলোঁ যিবোৰ কেৱল দান কৰোঁতা, এনে কিছুমান অন্তৰ দেখিলোঁ যিবোৰ ক্ষমাশীল, আৰু এনে কিছুমান দুৱাৰ দেখিলোঁ যিবোৰ আনৰ বাবে সদায় খোলা থাকে।

কোছোভোৰ পৰা এজন অত্যন্ত শ্ৰদ্ধেয় গৱেষক, শিক্ষাবিদ অধ্যাপক চাহাবে জলছাত অংশগ্ৰহণ কৰে। তেওঁ কয় যে ইমাম-ই-জমাতৰ ভাষণ শুনাৰ সুযোগ পালোঁ আৰু তেওঁৰ সৈতে সাক্ষাৎও হ'ল। মোক আটাইতকৈ

বেছি প্ৰভাৱিত কৰা কথাটো হ'ল— শান্তি, আন্তঃধৰ্মীয় সম্প্ৰীতি, মানৱ সমতা, পাৰস্পৰিক শ্ৰদ্ধা আৰু সমাজৰ প্ৰতিজন ব্যক্তিক একেলগে আগুৱাই লৈ যোৱাৰ ওপৰত দিয়া নিৰন্তৰ আৰু অসাধাৰণ গুৰুত্ব।

স্পেইনৰ পেড্ৰ'বাদৰ মেয়ৰ মহোদয়ো উপস্থিত আছিল। তেওঁ কয়, জলছা ছালানাই আমাক এইটো প্ৰত্যক্ষ কৰাৰ সুযোগ দিলে যে এয়া কেৱল বিশ্বাসৰেই এক উৎসৱ নহয়, বৰঞ্চ বিভিন্ন দেশ, সংস্কৃতি আৰু প্ৰেক্ষাপটৰ মানুহৰ মাজত সহৱস্থানৰ এক অসাধাৰণ নিদৰ্শন।

একেদৰেই হুজুৰ আনোৱাৰে আন কিছুমান সন্মানীয় অতিথিৰ অনুভৱ আৰু মতামত দাঙি ধৰে, যিসকলে জলছাৰ অসাধাৰণ ব্যৱস্থাপনা আৰু আধ্যাত্মিক পৰিৱেশৰ ভূয়সী প্ৰশংসা কৰিছিল।

গ্ৰীচৰ পৰা অহা এগৰাকী মহিলা অতিথিয়ে জলছাৰ সকলো ব্যৱস্থাৰ প্ৰশংসা কৰাৰ লগতে এটা কথা উল্লেখ কৰি কয় যিটো তেওঁৰ পছন্দ নহ'ল— সেয়া হ'ল কিছুমান মহিলাই ইছলামিক ড্ৰেছ ক'ড (পৰ্দা) সঠিকভাৱে পালন কৰা নাছিল আৰু কিছুমান পুৰুষেও গজ-ই-বচৰ (দৃষ্টি সংযত ৰখা)ৰ ক্ষেত্ৰত দুৰ্বলতা প্ৰদৰ্শন কৰিছিল। হুজুৰ আনোৱাৰে কয় যে যদিও মই এই বিষয়ে বিশেষভাৱে উল্লেখ কৰিছিলোঁ। আমাৰ নিজৰ সংস্কাৰৰ বাবে আমি ঋণাত্মক মন্তব্যও শুনা উচিত। গতিকে যিসকলে অসাৱধানতা অৱলম্বন কৰিছিল, তেওঁলোকে মনত ৰখা উচিত যে আন লোকসকলে আমাক অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰে আৰু আমি তেওঁলোকক এনে কোনো সুযোগ দিয়া উচিত নহয় যাৰ দ্বাৰা ইছলামৰ প্ৰকৃত ছবিত দাগ পৰে। জলছাৰ ভাষণৰ সময়ত মই হজৰত মছীহ মাওউদ (আঃ)ৰ এটা উদ্ধৃতিও পাঠ কৰিছিলোঁ যে আনক এনে কোনো সুযোগ নিদিব, যাতে তেওঁলোকে আমাৰ পিনে আঙুলি তুলিব পাৰে।

হুজুৰ আনোৱাৰে প্ৰেছ আৰু মিডিয়াত জলছাৰ সুন্দৰ কভাৰেজৰ কথাও উল্লেখ কৰে। প্ৰিন্ট মিডিয়া, ৰেডিঅ', টিভি আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে জলছা ছালানা ব্যাপকভাৱে প্ৰচাৰ কৰা হৈছিল, আনহাতে বিভিন্ন বাতৰি কাকত আৰু টিভি চেনেলসমূহেও জলছাৰ কভাৰেজ আগবঢ়াইছিল।

খুতবাৰ শেষত হুজুৰ আনোৱাৰে দোৱা কৰে যে আল্লাহ তা'লাই এই জলছাৰ শুভ প্ৰভাৱ যেনেকৈ জামাতৰ সদস্যসকলৰ মাজত বৰ্তাই ৰাখে, তেনেকৈয়ে মানুহক সত্যৰ পথ দেখুৱাওক আৰু তেওঁলোকক প্ৰকৃত ইছলাম আৰু আহমদীয়তৰ প্ৰতি আকৰ্ষিত কৰক। আমীন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ
اعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ
وَرَسُوْلُهٗ عِبَادَ اللهِ رَحِمَكُمُ اللهُ اِنَّ اللهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ
وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 31 July 2026

Nazarat Nashor-O-Ishaat Qadian